# যোগাযোগ

**JOGAJOG**

**December: 2018**

**Vol : 11 No:04 Sl No: 123**

**Monthly Newsletter of Assam Association, Delhi**



*Editor (Hony):*
**Dr Sangeeta Dutta**
466, 3rd Floor
Shree Awas (L&T Aptt.)
Sector 18-B, Phase II, Dwarka
New Delhi-110078
Ph: +91 9910084548
Email: editorjogajog@gmail.com



Graphics, Designing & Printing:
**Swarnagiri Services Pvt. Ltd**
Ph: +91 9873763811

*Published by:*
General Secretary
**Assam Association, Delhi**
**Srimanta Sankaradeva Bhawan**
**A-14B, Satsang Vihar Marg,**
**Qutab Institutional Area,**
**New Delhi - 110 067**
**Ph: 26510426 & 26537786**

E-mail: info@assamassociationdelhi.com,
assamassociationdelhi2015@gmail.com
Website : www.assamassociationdelhi.com



*যোগাযোগ - ১২৩*

**জানুৱাৰী ঃ ২০১৯**


## সম্পাদিকাৰ একলম

সমূহ পাঠক-পাঠিকালৈ ইংৰাজী নতুন বৰ্ষ ২০১৯ ৰ সাদৰ সম্ভাষণ জনালো। নতুন বছৰটোৱে আপোনালোকৰ জীৱনলৈ কঢ়িয়াই আনক অনাবিল আনন্দ। ব্যস্ততাপূৰ্ণ দিল্লী মহানগৰীৰ যান্ত্ৰিক জীৱনে আমাৰ সকলোকে সুখ-দুখ, ঘাত-প্ৰতিঘাত, ৰং-ধেমালিৰে পৰিপূৰ্ণ জীৱন অতিবাহিত কৰিবলৈ বাধ্য কৰায়। কিন্তু তাৰ মাজতে দুখক নেওচি সুখক আকোৱালি ল'বলৈকো নিশিকায় নে বাৰু? দিল্লীবাসী অসমীয়া ৰাইজলৈ ইংৰাজী নতুন বছৰৰ আৰম্ভণিতে আকৌ ৰং-ধেমালিৰ লগতে ভোগালীৰ ভোগ খাবলৈকো ব্যৱস্থা কৰি দিয়ে অসম এছোচিয়েছন, দিল্লীয়ে। প্ৰত্যেক বছৰৰ দৰে এইবাৰো অহা ২০ জানুৱাৰীত সেই একেই স্থানতে ভোগালী বিহু উদ্‌যাপন কৰা হ'ব। উদ্‌যাপনৰ সবিশেষ পৰৱৰ্তী পৃষ্ঠাত পঢ়িবলৈ পাব। ইফালে ফৰিদাবাদত আছে ভোগালীৰ ৰং। গুৰগাঁৱতো ভোগালী বিহু পাতিছে বুলি আয়োজকে জনাইছে। মুঠতে সুদূৰ অসমৰ পৰা আঁতৰি থাকিলেও দিল্লীবাসী অসমীয়া ৰাইজে দিল্লীৰ ঠেৰেঙালগা জাৰত মেজিৰ জুই অকণমান পুৱাবলৈ, পিঠা-পনাৰে চাহ এপিয়লাৰ জুতি ল'ব পৰাকৈ সম্পূৰ্ণ ব্যৱস্থা কৰা হৈছে।

আপোনালোক আটাইকে বিহুতে লগ পাম বুলি আশা ৰাখিলো। নতুন বছৰৰ পুনৰ শুভেচ্ছাৰে।

সংগীতা দত্ত

**20 January, 2019**
**Bhogali Bihu...**

## ‘অসম এছোচিয়েছন, দিল্লীৰ বাৰ্ষিক ক্ৰীড়া দিৱস আৰু ভোগালী বিহু উদ্‌যাপন

অসম এছোচিয়েছন, দিল্লীৰ বাৰ্ষিক ক্ৰীড়া দিৱস আৰু ভোগালী বিহু অহা ইংৰাজী ২০ জানুৱাৰী (ৰবিবাৰ), ২০১৯ তাৰিখে পুৱা ৯.৩০ বজাৰপৰা আবেলি ৩.৩০ বজালৈ **চাণক্যপুৰীস্থিত কেন্দ্ৰীয় সচিবালয় খেলপথাৰত (আশোক হোটেলৰ সমীপত)** বৃহৎ কাৰ্য্যসূচীৰে উদ্‌যাপন কৰা হ’ব

প্ৰতিবছৰৰ দৰে এই উদযাপনত বিভিন্ন ধৰণৰ প্ৰতিযোগিতা তথা খেল-ধেমালিৰ উপৰিও মঞ্চত বিভিন্ন ধৰণৰ সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনৰো যো-জা চলোৱা হৈছে। ভোগৰ উৎসৱ ভোগালী বিহুৰ এই উদ্‌যাপনত খাদ্যৰ প্ৰতিও বিশেষভাৱে গুৰুত্ব দিয়া হৈছে। পুৱা চাহ-জলপান, পিঠা-পনা আৰু মাহ-প্ৰসাদৰ পিছত দুপৰীয়া বৃহৎ সামূহিক ভোজৰ আয়োজন কৰা হৈছে। এইবাৰো মাঘ বিহু উদ্‌যাপনৰ সময়তে এছোচিয়েছনৰ স্মৰণিকা ‘সাময়িক’ প্ৰকাশৰো যো-জা চলাই থকা হৈছে বুলি আলোচনী সম্পাদক মাণিক দাশে জানিবলৈ দিছে। সকলো দিল্লীবাসী তথা ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰৰ অসমীয়া ৰাইজক নিজৰ পৰিয়াল তথা সবান্ধৱে এই বৃহৎ উদ্‌যাপনত অংশগ্ৰহণ কৰিবলৈ এছোচিয়েছনৰ হৈ সাধাৰণ সম্পাদকে সাদৰেৰে নিমন্ত্ৰণ জনাইছে।

**MATRIMONIAL**

Alliance invited for an Assamese girl, highly educated , fair and with traditional values from English medium schooling background. Age- 28 years, Qualification- BA, LLB, LLM. Presently working at *Cars24 * as Asstt. Manager ( legal) at Gurgaon.

Pls contact with confidence at Delhi mobile no. 9953073242

Adv. 3/3

# ফৰিদাবাদত ভোগালী বিহু উদ্‌যাপনৰ আয়োজন

অসম এছোচিয়েছন, ফৰিদাবাদৰ দ্বাৰা অহা ১৯ জানুৱাৰী, শনিবাৰে দিনজোৰা কাৰ্য্যসূচীৰে ভোগালী বিহু উদ্‌যাপনৰ আয়োজন কৰা হৈছে। এই উপলক্ষে দিনৰ ভাগত এছোচিয়েছনৰ সদস্যসকলৰ দ্বাৰা পতাকা উত্তোলন, মেজি প্ৰজ্বলন, ল'ৰা-ছোৱালীহঁতৰ বাবে খেল-ধেমালি ইত্যাদিৰ লগতে পৰম্পৰাগতভাৱে ভোগালীৰ ভোগৰ ব্যৱস্থা কৰা হৈছে। এই কাৰ্য্যসূচী কেৱল এছোচিয়েছনৰ সদস্য-সদস্যাসকলৰ বাবেহে।




সেইদিনা সন্ধিয়াই আয়োজন কৰা হৈছে সাংস্কৃতিক অনুষ্ঠান- "ভোগালীৰ ৰং"। এই অনুষ্ঠান সকলোৰে বাবে বিনামূলীয়া। অসমীয়া সংস্কৃতি, পৰম্পৰা, নৃত্য-গীত ইত্যাদিৰ বিভিন্ন দিশৰ প্ৰদৰ্শন হ'ব এই "ভোগালীৰ ৰং"ত। সন্ধিয়াৰ আন এক মুখ্য আকৰ্ষণ হ'ব অসমীয়া জনপ্ৰিয় শিল্পী নীল আকাশ, কুসুম কৈলাশ আৰু লুইচ গগৈৰ গীতৰ শৰাই। অসম এছোচিয়েছন, ফৰিদাবাদৰ কৰ্মকৰ্তাসকলে যোগাযোগৰ জৰিয়তে সমূহ দিল্লীবাসী তথা ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰৰ অসমীয়া ৰাইজক "ভোগালীৰ ৰং" সাংস্কৃতিক সন্ধিয়াটি উপভোগ কৰিবলৈ আমন্ত্ৰণ জনাইছে।

স্থানঃ Huda Exhibition cum Convention Center, Sector 12, Faridabad.

সময়ঃ সন্ধিয়া ৫ বজাৰ পৰা।

*(বাতৰি ৰিতুপৰ্ণ বৰুৱাৰ সৌজন্যত)*


ASSAM ASSOCIATION GURGAON
CELEBRATES
20 Bhogali Bihu 19
YOU ARE CORDIALLY INVITED
12TH JANUARY | 6:00 PM ONWARDS
HUDA COMMUNITY CENTER
SECTOR 47, GURUGRAM
MAJOR ATTRACTIONS
LIGHTING OF MEJI | FUN GAMES | AUTHENTIC ASSAMESE CUISINE
BIHU DANCE | PERFORMANCES BY LOCAL ARTISTS |
BHOGALI BHOJ/FEAST (CONTRIBUTORY)
Assam Association Gurgaon
Bhogali Bihu Venue Map
From Delhi
Exit 6
Exit 7
Exit 10
NH-8
Huda Cty Center Metro Station
Medicity
Huda Community Center, Sector 47
Venue for Bhogali Bihu Celebrations
RSVP : /assamassociationgurgaon @assamassociationgurgaon

# অসম সাহিত্য সভা দিল্লী শাখাৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰৰ অসমীয়াসকলৰ এটা মৰমৰ অনুষ্ঠান অসম সাহিত্য সভা দিল্লী শাখাই যোৱা ২৫ ডিচেম্বৰ ২০১৮ তাৰিখে ইয়াৰ ২৩তম প্ৰতিষ্ঠা দিৱস গাম্ভীৰ্যপূৰ্ণ






ভাৱে উদ্‌যাপন কৰে। এই উপলক্ষে উত্তৰ পূৰ্বাঞ্চলৰ লোকসাহিত্যৰ ওপৰত এখনি অতি মনোগ্ৰাহী আলোচনা-চক্ৰৰ আয়োজন কৰা হয়।

শ্ৰীমন্ত শঙ্কৰদেৱ ভৱনত আয়োজিত এই অতি উচ্চখাপৰ আলোচনাচক্ৰখনত বিশিষ্ট বক্তাৰূপে ভাগ লয় স্বনামধন্য লোকসাহিত্যিক তথা দিল্লী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ অধ্যাপক ডঃ প্ৰকাশ পট্টনায়কে। আনগৰাকী নিমন্ত্ৰিত বক্তা আছিল উত্তৰ পূৰ্বাঞ্চলৰ লোকসাহিত্য-সংস্কৃতিৰ গৱেষিকা তথা দিল্লী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ সহকাৰী অধ্যাপিকা ডঃ ৰত্নোত্তমা দাস বিক্ৰম।



পুৱা ১০ বজাত অসম



সাহিত্য সভাৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। পতাকা উত্তোলন কৰে দিল্লী শাখা সাহিত্য সভাৰ সভানেত্ৰী ডঃ মলয়া খাওন্দে। উপস্থিত সকলোৰে সমৱেত কণ্ঠত অসমৰ জাতীয় সংগীত ''অ' মোৰ আপোনাৰ দেশ'' গোৱা হয়। সভানেত্ৰীয়ে শাখা সভাৰ ২৩ বছৰীয়া প্ৰতিষ্ঠা দিৱস উপলক্ষে সকলোকে অভিনন্দন জনায় আৰু লগতে সভাৰ লগত ওতপ্ৰোতভাৱে জড়িত থকা প্ৰয়াত পূৰ্বসূৰী সকলৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰে। এই 'স্মৃতি তৰ্পণ'-ত বন্তি প্ৰজ্জ্বলন কৰে ডাঃ নীলমণি শৰ্মা আৰু শ্ৰী শিৱৰাম দেউৰিয়ে।

পতাকা উত্তোলন আৰু জলযোগৰ অন্তত দিনটোৰ ঘাই কাৰ্যসূচী 'আলোচনা চক্ৰ' আৰম্ভ কৰা হয় শ্ৰীমন্ত শঙ্কৰদেৱ ভৱনৰ প্ৰেক্ষাগৃহত। প্ৰথমেই মঞ্চত স্থাপিত বন্তি প্ৰজ্জ্বলন কৰে সভানেত্ৰী ডঃ মলয়া খাওন্দ, ডঃ প্ৰকাশ পট্টনায়ক, ডঃ ৰত্নোত্তমা দাস বিক্ৰম, শ্ৰী অচ্যুৎ কুমাৰ শইকীয়া, কৰ্ণেল জিতেন হাজৰিকা, শ্ৰী নৃপেন্দ্ৰ নাথ গগৈ, শ্ৰী ত্ৰৈলোক্যপ্ৰসাদ খাওন্দ, শ্ৰী বিনয়ব্ৰত শৰ্মা আৰু শাখা সভাৰ বিষয়ববীয়াই। আমন্ত্ৰিত বক্তাদ্বয় ডঃ প্ৰকাশ পট্টনায়ক আৰু ডঃ ৰত্নোত্তমা



দাস বিক্ৰমক ফুলাম গামোচা আৰু ফুলৰ তোৰাৰে সম্বৰ্ধনা জনায় শাখা সভাৰ উপ-সভাপতিদ্বয় ডাঃ হৰেশ্বৰ ডেকা আৰু শ্ৰীমতী অঞ্জলি বৰুৱাই।



সাহিত্য সভাৰ আনুষ্ঠানিক গীত ‘‘চিৰ চেনেহী মোৰ ভাষা জননী’’ পৰিৱেশন কৰে ৰীম পাঠক, নিকুমণি দত্ত, ইনু নাথ আৰু শৰৎ বৰকাকতিয়ে। আদৰণি ভাষণত সভানেত্ৰী ডঃ মলয়া খাওন্দে অতিথি বক্তাদ্বয়কে ধৰি উপস্থিত ভাষা-সাহিত্য অনুৰাগী ৰাইজক আনুষ্ঠানিকভাৱে আদৰণি জনোৱাৰ লগতে অলপতে বিয়োগ ঘটা কালজয়ী অসমীয়া কোকিলকণ্ঠী গায়িকা দীপালি বৰঠাকুৰৰ স্মৃতিত গভীৰ শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰে। লগতে সভাগৃহত উপস্থিত ৰাইজে থিয় হৈ বিদেহ আত্মাৰ সদগতি কামনা কৰি মৌন প্ৰাৰ্থনা জনায়। এই প্ৰসংগতে শাখা সভাৰ উপদেষ্টা ডঃ ৰীণা শৰ্মাই প্ৰয়াত দীপালি বৰঠাকুৰৰ সৈতে সহপাঠী ৰূপে থকা সান্নিধ্যৰ কথা স্মৰণ কৰে আৰু কয় যে দীপালি বৰঠাকুৰৰ বিয়োগত অসমৰ সাংস্কৃতিক জগতখনৰ বাবে এক অপূৰণীয় ক্ষতি হ’ল।



নিজৰ ভাষণত বিশিষ্ট বক্তা ডঃ প্ৰকাশ পট্টনায়কে অসমৰ লোকসাহিত্য-সংস্কৃতিৰ লগতে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ আপুৰুগীয়া আৰু বৰ্ণাঢ্য জনজাতীয় সংস্কৃতিৰ গভীৰ বিশ্লেষণাত্মক পৰ্যালোচনাৰে শ্ৰোতা-দৰ্শকসকলক মন্ত্ৰমুগ্ধ কৰি ৰাখে। ডঃ ৰত্নোত্তমা দাস বিক্ৰমে অসমকে ধৰি উত্তৰ-পূবৰ বিভিন্ন জনগোষ্ঠীয় লোকসাহিত্যৰ ওপৰত তেখেতে কৰা অধ্যয়ন আৰু গৱেষণাৰ ভিত্তিত এটি অতি জ্ঞানবৰ্ধক সাৰুৱা বক্তৃতা দিয়ে। দুই





গৰাকী বক্তাৰ বক্তৃতাৰ অন্তত উপস্থিত শ্ৰোতা-দৰ্শকৰ সৈতে এক প্ৰশ্নোত্তৰ শিতানো ৰখা হৈছিল। বক্তা দুগৰাকীয়ে শৰৎ বৰকাকতি, প্ৰভাত শৰ্মা, ডঃ জয়ন্তীমালা বৰপূজাৰী আৰু উলুপী কাকতিকে ধৰি শ্ৰোতাসকলে কৰা কেইবাটাও প্ৰাসঙ্গিক প্ৰশ্নৰ উত্তৰ দি পৰিৱেশটো অতি উপভোগ্য কৰি তোলে। সম জুৱাৰ ফালৰ পৰা দুআষাৰ কয় শ্ৰী পৱন বৰঠাকুৰ আৰু ডাঃ বিপুল বৰুৱাই। দুয়ো এটিকৈ স্বৰচিত কবিতাও পাঠ কৰে।



ইয়াৰ আগেয়ে এই প্ৰতিষ্ঠা দিৱস উপলক্ষে প্ৰকাশিত শ্ৰী মাণিক চন্দ্ৰ দাশ সম্পাদিত অসম সাহিত্য সভা দিল্লী শাখাৰ মুখপত্ৰ 'কিশলয়'-ৰ দ্বিতীয় খণ্ডটো উন্মোচন কৰে অসম এছোচিয়েছন, দিল্লীৰ সভাপতি শ্ৰী অচ্যুৎ কুমাৰ শইকীয়াদেৱে। এই প্ৰসঙ্গত শ্ৰী শইকীয়াদেৱ আৰু বিয়লি চ'ৰাৰ সভাপতি শ্ৰী নৃপেন্দ্ৰ নাথ গগৈদেৱে দিয়া চমু বক্তব্যত অসম সাহিত্য সভা দিল্লী শাখাৰ কাম কাজবোৰৰ শলাগ লয়।



এটি বৰগীত পৰিৱেশন কৰে ৰীম পাঠক, নিকুমণি দত্ত আৰু ইনু নাথে। খোল আৰু বাঁহী সংগত কৰে কিৰণ বৰা আৰু লক্ষ্যজিৎ শইকীয়াই।



শলাগৰ শৰাই আগবঢ়ায় শাখা সাহিত্য সভাৰ সাধাৰণ সম্পাদক শ্ৰী হিৰণ্য কুমাৰ দাসে। সদৌ শেহত উপস্থিত সকলোৱে সম স্বৰে গোৱা ‘‘অ’ মোৰ আপোনাৰ দেশে’’-ৰে সেইদিনাৰ অনুষ্ঠানৰ সামৰণি মৰা হয়। গোটেই অনুষ্ঠানটোৰ সুন্দৰকৈ আঁত ধৰে তৃষ্ণা বৰকাকতিয়ে। অন্তত মধ্যাহ্ন ভোজনৰো আয়োজন কৰা হয়।










অহা ৫ আৰু ৬ জানুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে ইনলি ফাউণ্ডেচনে ৰাষ্ট্ৰীয় নাট্য বিদ্যালয় নতুন দিল্লীৰ সম্মুখ প্ৰেক্ষাগৃহত আয়োজন কৰিছে তৃতীয় বাৰ্ষিক ডঃ ভবেন্দ্ৰ নাথ শইকীয়া সোঁৱৰণী নাট্য উৎসৱ। এই দুটি দিনত মুঠ চাৰিখন নাট মঞ্চস্থ কৰা হ'ব।

১) ইনলি ফাউণ্ডেচনৰ নিবেদন অসমত বিপুল ভাৱে সমাদৃত ডঃ ভবেন্দ্ৰ নাথ শইকীয়া ছাৰৰ "এজাক জোনাকীৰ জিলমিল"







২) মেল' ডি পাটগিৰি প্ৰডাকচনৰ নিবেদন ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ কাৰেঙৰ লিগিৰীৰ আধাৰত সপোন জ্যোতি ঠাকুৰৰ নাট্য নিৰ্মাণ "কাৰেঙৰ লিগিৰী-অন্য পাঠ"








৩) সূৰ্য্যৰ নিবেদন "মুখামুখি - ২য়"
মূল ৰচনা - শীৰ্ষেন্দু মুখোপাধ্যায়
অসমীয়া অভিযোজনা - বিপুল জ্যোতি শইকীয়া
এই তিনিখন নাটৰ পৰিচালনা - নয়ন প্ৰসাদৰ

৪) ইনলি ফাউণ্ডেচনে নিবেদন কৰিব পৰাগ শৰ্মাৰ পৰিচালনাত ডঃ ভবেন্দ্ৰ নাথ শইকীয়াৰ "অৱৰোধ"



প্ৰতিদিনে বিয়লি ৪ বজাত আৰু সন্ধিয়া ৬ বজাত নাট মঞ্চস্থ কৰা হ'ব। প্ৰৱেশ বিনামূলীয়া । উদ্যোক্তা সকলে নাট্যপ্ৰেমী দৰ্শকৰ উপস্থিতি সহৃদয়তাৰে কামনা কৰিছে ।।


PACKERS & MOVERS


**ASSAM DOOARS LOGISTICS**

**Guwahati : Goenka Building, Kedar Road, Guwahati - 781001**
**Phone : 9864047677, 9864042023**
**Delhi : Chaman Plaza, Opp : ISKCON, East of Kalash, New Delhi – 110065**
**Tel : 011-49077315, 9212248342, 9811348342**
**Concern Person : Pawan Agarwal**
**Email : assamdooarslogistics@gmail.com**
**(Service all Over North East)**

MATRIMONIAL

Alliance invited for an Assamese girl ( 28years) presently working as Asstt. Marketing Manager in International School of Business & Media, Pune.
Pls contact with confidence at
mail id- dipalikharghoria_59@rediffmail.com,
mobile - 9954414250

Adv. 1/3


ACEGROUP
fulfilling ACEpirations
www.acegroupindia.com
ACEASPIRE
2/3 BHK APARTMENTS
GREATER NOIDA (WEST)
ACE golfshire
SECTOR-150, NOIDA
READY-TO-MOVE-IN
HOMES IN NOIDA Extn.
Actual Picture
SPECIAL TOWER
FOR MEMBERS OF
ASSAM ASSOCIATION,
NEW DELHI
GST FREE
FREE Parking
FREE Club Membership
FREE Floor PLC
FREE Power Backup
FREE EDC/IDC
Actual Picture
ACE GROUP
POSSESSION GURANTEED IN 24 HOURS
For details contact:
Dipankar Phukan - +91 9899836902









**For details contact:**

**Dipankar Phukan - +91 9899836902**